**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-09-2024 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্যৰ ৩৯ টা বিধানসভা সমষ্টিত অহা ৪ আৰু ৫ অক্টোবৰত সম-জিলা প্ৰতিষ্ঠা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰশাসনক তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ বাবে জিলা সদৰসমূহক বাদ দি প্ৰতিটো সমষ্টিতে চৰকাৰে একোখনকৈ সম-জিলা গঠন কৰাৰ সিদ্ধান্ত লৈছে। বাকী সমষ্টিসমূহতো দ্বিতীয় পৰ্যায়ত সমজিলা গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে। এই সন্দৰ্ভত তেওঁ কয় যে, সমজিলাসমূহৰ জৰিয়তে বহু প্ৰসাশনীয় কামকাজ জিলা আয়ুক্তৰ কাৰ্যালয়লৈ নোযোৱাকৈ সমাধান কৰা সম্ভৱ হ'ব।

ooooo

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সাধাৰণ পৰ্যটকৰ বাবে কাইলৈ মুকলি কৰা হ'ব। ইয়াৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। আনহাতে, ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ বাট-পথসমূহ মেৰামতি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। উল্লেখযোগ্য যে কাইলৈ উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বাট-পথৰ মেৰামতি তথা আন আভ্যন্তৰীণ কামসমূহ সম্পূৰ্ণ হোৱাৰ পাছতে হাতী ছাফাৰীৰ লগতে পৰ্যটকৰ বাবে অনুমোদিত সকলো অঞ্চল পৰ্যটকে ভ্ৰমণ কৰিব পাৰিব।

ooooo

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ হকে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাঠামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত কেইবাটাও উদ্যম মুকলি কৰা হৈছে। দেশক ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰে কেইবাটাও মহিলাকেন্দ্ৰিক পদক্ষেপ গ্ৰহণ কৰিছে। দীনদয়াল অন্ত্যোদয়া আঁচনি-ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় ১১ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনস্বৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ'ব। তদুপৰি মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

আনহাতে, মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰিবলৈ বদ্ধপৰিকৰ হৈছে।

ooooooo

দেশজুৰি চলি থকা **স্বচ্ছতা হি সেৱা** কাৰ্যসূচীৰ লগত সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নলবাৰীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে। পৰিচ্ছন্নতাৰ বিষয়ত ছাত্ৰীসকলক সজাগ-সচেতন কৰি তোলাৰ লগতে নৱপ্ৰজন্মৰ মাজত আকাশবাণীৰ জনপ্ৰিয়তাক বৃদ্ধি কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বিষয়ববীয়াসকল উপস্থিত আছে।

০০০০০০০

বিশিষ্ট চলচ্চিত্ৰ অভিনেতা মিথুন চক্ৰৱৰ্তীক অহা মাহত অনুষ্ঠিত হ'বলগীয়া ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰি কয় যে কলকাতাৰ পদপথৰ পৰা চলচ্চিত্ৰ জগতৰ উচ্চ শিখৰলৈ মিথুন দাৰ উল্লেখনীয় যাত্ৰাই নৱ-প্ৰজন্মক প্ৰেৰিত কৰে। তেওঁ লগতে কয় যে ভাৰতীয় চলচ্চিত্ৰ জগতলৈ তেওঁৰ অৱদানৰ বাবে ভাৰতীয় চলচ্চিত্ৰৰ এই শীৰ্ষ বঁটা তেওঁলৈ আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে।

০০০০০০০০

পেৰুৰ লিমাত চলি থকা শ্যুটিঙৰ আই এছ এছ এফ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপৰ এয়াৰ ৰাইফলত ভাৰতীয় যুটি গৌতমী ভানট আৰু অজয় মালিকে কালি ক্ৰ'ৱেছিয়াক ১৭-৯ পইণ্টত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক আজুৰি আনিবলৈ সমৰ্থ হৈছে। একেটা ইভেণ্টত চীনে ফ্ৰান্সক পৰাস্ত কৰি সোণৰ পদক লাভ কৰিছে। এয়াৰ ৰাইফলৰ দলীয় শিতানত ভাৰতৰ লক্ষিতা আৰু প্ৰমোদে ১৬-৮ পইণ্টত কনিস্কা ডাগৰ আৰু মুকেশ নেল্লাৱানিক পৰাস্ত কৰি আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। এইটো ইভেণ্টত জাৰ্মানীয়ে সোণ আৰু ইউক্ৰেইনে ৰূপৰ পদক লাভ কৰিছে। এই বিজয়ৰ জৰিয়তে ভাৰতে জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপত দুটা সোণ আৰু তিনিটা ব্ৰঞ্জৰ পদকৰ সৈতে মুঠ ৫ টা পদকেৰে পদক তালিকাৰ শীৰ্ষ স্থান দখল কৰিছে।

০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৪-৫ দিনলৈ দেশৰ উত্তৰ পূব অংশত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি তামিলনাডু আৰু কেৰালাত আজি প্ৰবল বৰষুণ হোৱাৰ লগতে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশত এই সপ্তাহত প্ৰচুৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**